# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-06-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**----------------------**

১। বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীৰ কাইলৈ তৃতীয়বাৰৰ বাবে দেশৰ প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ।

২। অসম প্ৰদেশ কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত নৱনিৰ্বাচিত তিনিগৰাকী সাংসদক সম্বৰ্ধনা।

৩। শোণিতপুৰ জিলাৰ শিঙৰীত প্ৰত্নতত্ব বিভাগৰ খননত বুজন পৰিমাণৰ প্ৰাচীন তথ্য আৰু পুৰাতন সামগ্ৰী উদ্ধাৰ।

৪। কনকলতা বৰুৱা মহিলা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ধেমাজি চেম্পিয়ন।

*আৰু*

৫। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি আফগানিস্তানৰ হাতত নিউজিলেণ্ড পৰাস্ত।

০০০০০০

প্ৰধানমন্ত্ৰী পদৰ বাবে মনোনীত নৰেন্দ্ৰ মোদীয়ে কালি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে আৰু চৰকাৰ গঠনৰ বাবে দাবী জনায়। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কাইলৈ সন্ধিয়া ৭ বাজি ১৫ মিনিটত ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত নৰেন্দ্ৰ মোদী আৰু তেওঁৰ মন্ত্ৰীসভাৰ সদস্যসকলক শপত বাক্য পাঠ কৰোৱাব। ইয়াৰ পূৰ্বে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ নেতৃত্বত এন ডি এ-ৰ এটা প্ৰতিনিধি দলেও ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰে আৰু নৰেন্দ্ৰ মোদীক বিজেপি সংসদীয় দলৰ নেতা বাছনি কৰা বুলি উল্লেখ কৰি এখন পত্ৰ প্ৰদান কৰে। এন ডি এৰ অংশীদাৰ দলসমূহৰ সমৰ্থনৰ পত্ৰও ৰাষ্ট্ৰপতিৰ ওচৰত দাখিল কৰা হয়।

ৰাষ্ট্ৰপতি ভৱনৰ বাহিৰত শ্ৰী মোদীয়ে কয় যে এন ডি এই এখন শক্তিশালী, সুস্থিৰ আৰু বিকাশমুখী চৰকাৰ গঠন কৰিব। শ্ৰী মোদীয়ে লগতে কয় যে, ৰাষ্ট্ৰপতিয়ে তেওঁক কাৰ্যবাহী প্ৰধানমন্ত্ৰী হিচাপে মনোনীত কৰিছে আৰু তেওঁ ৰাষ্ট্ৰপতিক দেওবাৰে শপতগ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰিলে কোনো অসুবিধা নাই বুলি অৱগত কৰিছে। ৰাষ্ট্ৰপতি ভৱনে এতিয়া শপতগ্ৰহণ অনুষ্ঠানৰ সবিশেষ যুগুত কৰিব আৰু তেতিয়ালৈকে মন্ত্ৰী পৰিষদৰ সদস্যসকলৰ নাম ৰাষ্ট্ৰপতিৰ ওচৰত দাখিল কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে।

তেওঁ কয় যে, জনসাধাৰণে এন ডি এ চৰকাৰক আৰু এটা সুযোগ দিছে আৰু সেই মৰ্মে তেওঁৰ চৰকাৰে দেশৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিব। তেওঁ লগতে এখন সুস্থিৰ চৰকাৰ দেশ, অৰ্থ ব্যৱস্থা আৰু যুৱ প্ৰজন্মৰ বাবে লাভদায়ক হিচাপে প্ৰমাণিত হ'ব বুলি প্ৰকাশ কৰে। শ্ৰী মোদীয়ে তেওঁৰ চৰকাৰে ৰাষ্ট্ৰৰ দ্ৰুত বিকাশৰ বাবে চেষ্টাৰ অকণো ক্ৰটি নকৰে বুলি আশ্বাস দিয়ে।

ইয়াৰ পূৰ্বে এন ডি এৰ সংসদীয় দলে সৰ্বসন্মতিক্ৰমে নৰেন্দ্ৰ মোদীক নেতা হিচাপে বাছনি কৰে। নতুন দিল্লীৰ পুৰণি সংসদ ভৱনৰ কেন্দ্ৰীয় প্ৰেক্ষাগৃহত অনুষ্ঠিত এন ডি এৰ সংসদীয় দলৰ বৈঠকত বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে শ্ৰী মোদীক এন ডি এৰ নেতা বাছনি কৰাৰ বাবে এটা প্ৰস্তাৱ উত্থাপন কৰে আৰু মিত্ৰজোঁটৰ সকলো সহযোগী দলৰ নেতৃবৰ্গই প্ৰস্তাৱটোৰ প্ৰতি সমৰ্থন আগবঢ়ায়। শ্ৰীমোদীক লোকসভাত বিজেপিৰ নেতা আৰু বিজেপিৰ সংসদীয় দলৰ নেতা হিচাপেও বাছনি কৰা হৈছে।

শ্রীমোদীৰ নাম প্ৰস্তাৱ কৰি কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে কয় যে, তেওঁ এই পদৰ বাবে আটাইতকৈ উপযুক্ত ব্যক্তি। তেওঁ কয় যে, এন ডি এ মিত্ৰজোঁট বাধ্য-বাধকতা নহয়, বৰং আমাৰ প্ৰতিশ্ৰুতিহে। কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ আৰু নীতিন গাডকাৰীয়ে প্ৰস্তাৱটোৰ প্ৰতি সমৰ্থন আগবঢ়ায়।

আনহাতে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে কয় যে, প্ৰধানমন্ত্ৰী মোদীয়ে দেশক সমৃদ্ধিশালী আৰু মহা শক্তিৰূপে গঢ়ি তোলাৰ বাবে সম্পূৰ্ণ নিষ্ঠাৰে কাম কৰি আহিছে। তেলেগু দেশম পাৰ্টীৰ মুৰব্বী চন্দ্ৰবাবু নাইডুৱে কয় যে, এন ডি এ চৰকাৰে নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত বিগত ১০ বছৰত ভালেমান গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে। এই সময়ছোৱাত দেশ চমকপদ প্ৰগতি আৰু পৰিৱৰ্তনৰ সাক্ষী হৈছে বুলিও তেওঁ উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী মোদীৰ প্ৰতি সমৰ্থন আগবঢ়াই বিহাৰৰ মুখ্যমন্ত্ৰী তথা জে ডি ইউৰ সভাপতি নীতিশ কুমাৰে কয় যে, প্ৰাক নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি সকলো ঐক্যবদ্ধ হোৱাটো ভাল কথা আৰু  সকলোৱে এতিয়া নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কাম কৰি যাম।

এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, এন ডি এ ক্ষমতাৰ বাবে একগোট হোৱা ৰাজনৈতিক দলৰ এটা গোট নহয়, বৰং ৰাষ্ট্ৰপ্ৰথম নীতিৰে কাম কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ এটা মিত্ৰজোঁট।

বৈঠকত বিজেপিৰ সভাপতি জে পি নাড্ডা, কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেল, অনুৰাগ সিং ঠাকুৰ, এল জে পি আৰৰ মুৰব্বী চিৰাগ পাছোৱান, এন চি পিৰ নেতা অজিত পাৱাৰ, আৰ এল ডিৰ মুৰব্বী জয়ন্ত চৌধৰী, জনসেনাৰ মুৰব্বী পৱন কল্যাণ, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথ, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্দে, মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱ, গোৱাৰ মুখ্যমন্ত্ৰী প্ৰমোদ শাৱন্ত, মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেণ সিং আৰু গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল প্ৰমুখ্যে ভালেমান নেতা উপস্থিত থাকে।

০০০০০০

তেলেগু দেশম পাৰ্টিৰ ৰাষ্ট্ৰীয় সভাপতি এন চন্দ্ৰবাবু নাইডুৱে  অহা বুধবাৰে অন্ধ্ৰপ্ৰদেশৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিব। শপতগ্ৰহণ অনুষ্ঠানত এন ডি এৰ ভালে কেইগৰাকী জ্যেষ্ঠ নেতা আৰু চুবুৰীয়া ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকল উপস্থিত থকাৰ সম্ভাৱনা আছে। এন ডি এ মিত্ৰজোঁটৰ সহযোগী দল তেলেগু দেশম পাৰ্টি, জনসেনা আৰু ভাৰতীয় জনতা পাৰ্টীয়ে ৰাজ্যখনৰ সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত ১৭৫ খন আসনৰ ভিতৰত ১৬৪ খনতে জয় লাভ কৰিছে।

০০০০০০

কামৰূপ মহানগৰ জিলাৰ POCSO আদালতে শিশু যৌন নিৰ্যাতনৰ গোচৰত নৰহৰি বৰ্মন নামৰ এজন লোকক যাৱজ্জীৱন কাৰাদণ্ডৰ নিৰ্দেশ দিছে। এটি ১০ বছৰীয়া কন্যা শিশুক যৌন নিৰ্যাতন চলোৱাৰ সন্দৰ্ভত মহানগৰীৰ ভঙাগড় থানাত ২০২২ চনত গোচৰ ৰুজু হৈছিল। এই গোচৰৰ ভিত্তিতেই দীৰ্ঘদিন ধৰি শুনানি গ্ৰহণ কৰি কালি আদালতে নৰহৰি বৰ্মনক যাৱজ্জীৱন কাৰাদণ্ডৰ নিৰ্দেশ দিয়ে।

০০০০০০

অসমৰ প্ৰদেশ কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত কালি সদ্যসমাপ্ত লোকসভা নিৰ্বাচনত নৱনিৰ্বাচিত ৩গৰাকী সাংসদক সম্বৰ্ধনা জনোৱা হয়। যোৰহাট সংসদীয় সমষ্টিৰ সাংসদ গৌৰৱ গগৈ, ধুবুৰী সমষ্টিৰ সাংসদ ৰকিবুল হুছেইন আৰু নগাঁও সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈক কালি এখন ৰাজহুৱা সম্বৰ্ধনা সভাত সন্মান জনোৱা হয়। বিৰোধী ঐক্য মঞ্চৰ সমৰ্থিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী কেইগৰাকীৰ বিজয়ত ৰাজ্যিক কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই অভিনন্দন জ্ঞাপন কৰে। ভাষণ প্ৰসংগত শ্ৰী বৰাই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনলৈকে সকলোৱে ঐক্যবদ্ধভাৱে কাম কৰি যোৱাৰ পোষকতা কৰে। গৌৰৱ গগৈৰ শক্তিশালী কণ্ঠ, প্ৰদ্যুৎ বৰদলৈৰ মূল্যবোধৰ

ৰাজনীতি আৰু ৰকিবুল হুছেইনৰ সাংগঠনিক দক্ষতাই কংগ্ৰেছ দলক অধিক শক্তিশালী কৰিব বুলি সভাপতিগৰাকীয়ে মন্তব্য কৰে।

সম্বৰ্ধনা গ্ৰহণ কৰি যোৰহাট সংসদীয় সমষ্টিৰ নৱনিৰ্বাচিত সাংসদ গৌৰৱ গগৈয়ে এইবাৰ লোকসভা নিৰ্বাচনত অসমবাসীৰ লগতে ভাৰতবাসীৰ ৰাজনৈতিক বিবেকৰ জয় হৈছে বুলি উল্লেখ কৰে। গণতন্ত্ৰৰ স্বাৰ্থত আৰু দেশৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে অসমৰ ৰাইজে নতুন ৰাজনৈতিক জীৱন ৰেখা অংকন কৰা বুলি তেওঁ মন্তব্য কৰে। ভাষণ প্ৰসংগত সাংসদগৰাকীয়ে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনলৈকে অনাগত দুটা বছৰ অসমত থাকি কাম কৰি যোৱাৰ আকাংক্ষা ব্যক্ত কৰে।

০০০০০০

শোণিতপুৰ জিলাৰ শিঙৰিত ৰাজ্যৰ প্ৰত্নতত্ত্ব বিভাগে চলোৱা খননত প্ৰাচীন তথ্য আৰু পুৰাতন সামগ্ৰী উদ্ধাৰ হৈছে। এই খননত এটা ভগ্ন শিলৰ মন্দিৰৰ ধবংসাৱশেষৰ লগতে আন কেতবোৰ পৌৰাণিক সামগ্ৰী উদ্ধাৰ হৈছে। সামগ্ৰীসমূহ ষষ্ঠ শতিকাৰ শালস্তম্ভ বংশৰ পৰা আহোম ৰাজত্বকালৰ ভিতৰৰ সময়ৰ বুলি প্ৰত্নতত্ত্ব বিভাগ নিশ্চিত হৈছে। উল্লেখযোগ্য যে শিঙৰিৰ গুপ্তেশ্বৰ মন্দিৰক ধৰ্মীয় স্থান তথা পৰ্যটনস্থলী হিচাপে গঢ়ি তুলিবলৈ ৰাজ্যৰ পৰ্যটন বিভাগে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছিল। সেই অনুসৰি গুপ্তেশ্বৰ দেৱালয়ৰ পূৰ্বতে থকা তিনিটা নামঘৰ পুনৰ নিৰ্মাণৰ বাবে মন্দিৰ পৰিচালনা সমিতিয়ে গাঁত খান্দোতে শিলত খোদিত হৈ থকা এটা মূৰ্তি উদ্ধাৰ হয়। লগে লগে মন্দিৰ পৰিচালনা সমিতিয়ে ৰাজ্যৰ প্ৰত্নতত্ত্ব বিভাগৰ সৈতে যোগাযোগ কৰে। প্ৰত্নতত্ত্ব বিভাগে সেই স্থানত খনন কাৰ্য আৰম্ভ কৰা বহু ভগ্ন শিলৰ লগতে শিলত খোদিত বিভিন্ন ভাস্কৰ্য উদ্ধাৰ হয়। লগতে এটা মন্দিৰৰ ভেঁটি আৰু শিলৰ বেৰ উদ্ধাৰ হৈছে। সেই স্থানত খননকাৰ্য এতিয়াও অব্যাহত আছে। উদ্ধাৰ হোৱা সামগ্ৰীসমূহ শালস্তম্ভ বংশ, পালবংশ আৰু আহোম ৰাজত্বৰ সময়ৰ বুলি প্ৰত্নতত্ত্ব বিভাগে সদৰি কৰিছে।

০০০০০০

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা পণ্ডিতপ্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈৰ স্মৃতি দিৱস কালি যোৰহাটত আড়ম্বৰপূৰ্ণভাৱে পালন কৰা হয়। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সহযোগত যোৰহাটৰ ৰাধাকান্ত সন্দিকৈ ভৱনত স্মৃতি দিৱস পালন কৰা হয়। যোৰহাট জিলাৰ সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰাতুল চন্দ্ৰ বৰাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা স্মৃতি দিৱসৰ কাৰ্যসূচীত কৃষ্ণকান্ত সন্দিকৈৰ জীৱন আৰু দৰ্শনৰ সম্পৰ্কে বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক ড০ অদিতি বেজবৰুৱাই বক্তৃতা প্ৰদান কৰে। এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি গল্পকাৰ আশিস ঘাটোৱাৰৰ **বালিঘৰ** নামৰ এখন চুটি গল্প সংকলন উন্মোচন কৰা হয়। **বালিঘৰ** উন্মোচন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড০ বসন্ত কুমাৰ গোস্বামীয়ে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত **মোদীৰ তৃতীয় কাৰ্যকাল**' বিষয়ত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিজেপিৰ মুখ্য মুখপাত্ৰ মনোজ বৰুৱা আৰু জ্যেষ্ঠ সাংবাদিক নৰেশ কলিতা অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০০

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ উদ্যোগত গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে **স্বাস্থ্য মন্থন ১২** শীৰ্ষক এখন কৰ্মশালা তথা পৰ্যালোচনা সভা অনুষ্ঠিত হৈছে। কালি কৰ্মশালাখন উদ্বোধন কৰি ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ অভিযান সঞ্চালক ড° এম এছ লক্ষ্মীপ্ৰিয়াই ২০২৩-২৪ বিত্তীয় বৰ্ষৰ সামগ্ৰিক প্ৰদৰ্শন প্ৰকাশ কৰে। কৰ্মশালা আৰু পৰ্যালোচনা সভাত শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী

জিলাসমূহক সম্বৰ্ধনা জনোৱা হয়। সভাত উপস্থিত জিলা স্বাস্থ্য বিষয়াসকলৰ প্ৰতিখন জিলাৰ স্বাস্থ্য সেৱা প্ৰদৰ্শন সন্দৰ্ভত বিশদভাৱে পৰ্যালোচনা কৰা হয়।

০০০০০০

কাছাৰ আৰক্ষীয়ে এটা বিশেষ সূত্ৰৰ ভিত্তিত অভিযান চলাই ধলাই খাল অঞ্চলৰ পৰা ৮ কোটি টকাৰো অধিক মূল্যৰ প্ৰায় এক কিলোগ্ৰাম হেৰোইন জব্দ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সফল অভিযানৰ বাবে কাছাৰৰ আৰক্ষী অধীক্ষকক অভিনন্দন জনায়। সম্প্ৰতি এই মাদক দ্ৰব্য সৰবৰাহৰ সৈতে জড়িতসকলৰ জেৰা অব্যাহত আছে।

০০০০০০

প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় শিশু পুৰস্কাৰৰ বাবে বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা দেখুওৱা শিশুসকলক স্বীকৃতি প্ৰদান সন্দৰ্ভত মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ে জিলাসমূহৰ পৰা মনোনয়ন বিচাৰিছে। যোগ্যতাসম্পন্ন প্ৰাৰ্থীসকলে https://awards/gov.in অনলাইন প'ৰ্টেলত অহা ৩১ জুলাইৰ ভিতৰত আবেদন কৰিব পাৰিব। আবেদনকাৰীয়ে আবেদনৰ প্ৰতিলিপি জিলা আয়ুক্তৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰিব লাগিব। উল্লেখযোগ্য যে, সাহসিকতা, ক্ৰীড়া, সমাজসেৱা, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা, পৰিৱেশ, কলা আৰু সংস্কৃতিৰ লগতে উদ্ভাৱনমূলক দিশত অৰিহণা যোগোৱা নিৰ্বাচিত শিশুসকলক নতুন দিল্লীত ৰাষ্ট্ৰপতিয়ে এই পুৰস্কাৰ প্ৰদান কৰিব।

০০০০০০

সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ ৩২ টা সমষ্টিৰ আঞ্চলিক সীমা নিৰ্ধাৰণৰ খছৰা প্ৰস্তুত সন্দৰ্ভত আজি ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত তিনিচুকীয়া, ধেমাজী, লখিমপুৰ, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট জিলাৰ সমন্বিত জনজাতীয় উন্নয়ন প্ৰকল্পৰ প্ৰকল্প সঞ্চালকসকলৰ লগতে অন্যান্য বিষয়াসকল উপস্থিত থাকে। ডিব্ৰুগড় জিলা আয়ুক্ত তথা অসম চৰকাৰৰ জনজাতীয় পৰিক্ৰমা বিভাগে জাৰি কৰা নিৰ্দেশনা অনুসৰি সীমা নিৰ্ধাৰণ সন্দৰ্ভত যিকোনো ধৰণৰ ওজৰ আপত্তি ৩০ জুনৰ ভিতৰত দাখিল কৰিব লাগিব আৰু ৭ জুলাইৰ ভিতৰত এই ওজৰ আপত্তিসমূহ নিস্পত্তি কৰা হ'ব।

০০০০০০

আমেৰিকা আৰু ৱেষ্ট ইণ্ডিজে যুটীয়াভাৱে আয়োজন কৰা টি-২০ বিশ্বকাপৰ দুখন খেল আজি অনুষ্ঠিত হৈছে। গায়ানাত অনুষ্ঠিত প্ৰথমখন খেলত আফগানিস্তানে নিউজিলেণ্ডক ৮৪ ৰানত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি আফগানিস্তানে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৫৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নিৰ্ধাৰিত লক্ষ্য অনুসৰণ কৰি নিউজিলেণ্ডে ১৫ অভাৰ ২টা বলত আটাইকেইটা হেৰুৱাই কেৱল ৭৫ ৰানহে কৰিবলৈ সক্ষম হয়। আফগানিস্তানৰ হৈ ফজলহক ফাৰুকী আৰু ৰছিদ খানে ৪টাকৈ উইকেট দখল কৰে।

আনহাতে টেক্সাছত অনুষ্ঠিত আন এখন খেলত শ্ৰীলংকাই বাংলাদেশক ১২৫ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। বাতৰি লিখাৰ পৰলৈকে বাংলাদেশে ১৪ অভাৰত ৪টা উইকেট হেৰুৱাই ৯৯ ৰান সংগ্ৰহ কৰি খেল আছে।

০০০০০০

গুৱাহাটীৰ নেহেৰু ষ্টেডিয়ামত অনুষ্ঠিত হোৱা কনকলতা বৰুৱা মহিলা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কালি ধেমাজিয়ে কৰিমগঞ্জক ১৮৪ ৰানৰ ব্যৱধানত পৰাস্ত কৰে। টছত জিকি প্ৰথমে বেটিঙৰ সিদ্ধান্ত লোৱা ধেমাজিয়ে এটা উইকেট হেৰুৱাই ২০৮ ৰান সংগ্ৰহ কৰে। বিজয় বিশাল লক্ষ্য সন্মুখত লৈ কৰিমগঞ্জে মাত্ৰ ২৪ ৰানতে ইনিংছ সামৰিব লগা হয়। খেলখনত ধেমাজিৰ হেমলতা পায়েঙে

শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰাৰ লগতে প্ৰিয়াংশী দত্তই শ্ৰেষ্ঠ বলাৰ আৰু ফ্লৰিনা টায়েই প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে।

০০০০০০

কাইলৈ দেশৰ তৃতীয়বাৰৰ প্ৰধানমন্ত্ৰী হিচাপে শপত ল'ব নৰেন্দ্ৰ মোদীয়ে- প্ৰধানমন্ত্ৰীলৈ ৰাষ্ট্ৰপতিৰ শুভেচ্ছা শিৰোনামেৰে প্ৰথম পৃষ্ঠাত বাতৰি প্ৰকাশ কৰিছে দৈনিক অসম কাকতে। বাতৰিটো ভিন ভিন শিৰোনামেৰে আমাৰ অসম, দৈনিক অগ্ৰদূত, দৈনিক জনমভূমি, অসমীয়া প্ৰতিদিন, দা ছেণ্টিনেল কাকতেও প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

মহাৰাষ্ট্ৰৰ ছাংগালি লোকসভা সমষ্টিৰ পৰা নিৰ্বাচিত সাংসদ বিশাল পাটিলে কংগ্ৰেছত যোগদান কৰাৰ পাছত কংগ্ৰেছৰ নিজাববীয়া আসনৰ সংখ্যাই শতকৰ ঘৰ স্পৰ্শ কৰাৰ প্ৰসংগত এটি বাতৰি আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আৰ বি আইয়ে ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ বৃদ্ধিৰ অনুমান কৰাৰ প্ৰভাৱ শ্বেয়াৰ বজাৰত পৰিলক্ষিত হোৱাৰ প্ৰসংগত তথ্য সহকাৰে দৈনিক জনমভূমি কাকতে এটি বাতৰি প্ৰকাশ কৰি উল্লেখ কৰে যি বোম্বাই শ্বেয়াৰ ষ্টকৰ সূচাংক কালি সৰ্বকালৰ সৰ্বোচ্চ পৰ্যায়ত উপনীত হয়।

৩ বছৰত স্তিমিত উগ্ৰবাদ-আলোচনালৈ আহিল বন্দুকধাৰী সংগঠন শিৰোনামেৰে ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ বক্তব্য সন্দৰ্ভত প্ৰস্তুত কৰা এটা বাতৰি অসমীয়া খবৰ কাকতে প্ৰকাশ কৰিছে।

মণিপুৰত পুনৰ সংঘটিত হোৱা হিংসাত্মক সংঘৰ্ষ সন্দৰ্ভত দৈনিক অগ্ৰদূত কাকতে বাতৰি প্ৰকাশ কৰিছে।

বিত্তীয় বৰ্ষৰ প্ৰথম ছমাহতে ৰাজ্য চৰকাৰে ল'লে তিনি হাজাৰ কোটিৰ ঋণ, এইবাৰ নাৰ্বাডৰ পৰা ল'ব ৬৩৪ কোটিৰ ঋণ শিৰোনামেৰে অসমীয়া প্ৰতিদিন কাকতে এটি বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাজ্যখনৰ বান পৰিস্থিতি ক্ৰমাৎ উন্নত হোৱাৰ প্ৰসংগত এটি বাতৰি দা আছাম ট্ৰিবিউন কাকতে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে – বিগত ১৫ বছৰত লোকসভা নিৰ্বাচনত অপৰাধমূলক গোচৰ থকা বিভিন্ন দলৰ বিজয়ী প্ৰাৰ্থীৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি, ৩৩ শতাংশ আসন সংৰক্ষণৰ প্ৰতিশ্ৰুতি কাৰ্যকৰী নোহোৱাত ৰাজ্যৰ ৰাজনীতিত উপেক্ষিত মহিলা, লোকসভা নিৰ্বাচনৰ ফলাফলৰ পিছতেই ৰাজ্যত দুগুণলৈ বাঢ়িল পাচলিৰ মূল্য, গণভিত্তি হ্ৰাসৰ কথা স্বীকাৰ এ আই ইউ ডি এফৰ মুৰব্বী বদৰুদ্দিন আজমলৰ, ৰাজীৱ ভৱনৰ পৰাই জনতা ভৱন দখলৰ হুংকাৰ কংগ্ৰেছৰ ৩ নৱনিৰ্বাচিত সাংসদৰ, ৰাজ্যৰ স্বাস্থ্যখণ্ডত উন্নয়ন, মাতৃ-শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস, সোণাপুৰৰ চিমেণ্ট ফেক্টৰীত শ্ৰমিকৰ মৃত্যু, কিশোৰী নিৰ্যাতনকাৰীক যাৱজ্জীৱন কাৰাদণ্ড ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত